**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৩৮/২০২০**

# গোলাঘাট আৰু কাৰ্বি আংলং জিলাৰ কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থাৱলী পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## আৰক্ষী বাহিনীৰ ওপৰত আক্ৰমণ চলালে কোনো পধ্যেই সহ্য কৰা নহ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে নতুনকৈ নিৰ্মাণ কৰা আছুতীয়া কক্ষ আৰু অন্যান্য সা-সুবিধাসমূহৰো বুজ লয়।

আনহাতে, মুখ্যমন্ত্ৰী সোণোৱালে গোলাঘাট জিলাত কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থাপনা সম্পৰ্কত জিলা প্ৰশাসনৰ সৈতে উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে এক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তগৰাকীৰ পৰা কৰ'না ভাইৰাছ প্ৰতিৰোধৰ ক্ষেত্ৰত জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ দিনীয়া যি লক্-ডাউনৰ কাৰ্যসূচীৰ আহ্বান জনাইছে তাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক অধিক সজাগ-সচেতন কৰিব লাগিব। নিত্য প্ৰয়োজনীয় সা-সামগ্ৰী যাতে সামাজিক ব্যৱধান অটুট ৰাখি জনসাধাৰণে লাভ কৰিব পাৰে সেই দিশটো সুনিশ্চিতকৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ যাতে কোনো ধৰণৰ নাটনি নহয় আৰু লক্-ডাউনৰ সময়ছোৱাত যাতে কোনেও মূল্যবৃদ্ধি কৰিব নোৱাৰে সেইটো সুনিশ্চিত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে সকলোকে সেৱাৰ মনোভাৱৰে কাম কৰিবলৈ আহ্বান জনায়।

আজিৰ এই বৈঠকত স্বাস্থ্য, খাদ্য আৰু অসামৰিক যোগান, শ্ৰম, পৌৰসভা, চেম্বাৰ্ছ অৱ কমাৰ্চৰ প্ৰতিনিধিৰ লগতে জিলাখনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল। পৰ্যালোচনা বৈঠকত জিলা উপায়ুক্ত বিভাস চন্দ্ৰ মোদীয়ে প্ৰেজেন্টেশ্যনৰ জৰিয়তে প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কত মুখ্যমন্ত্ৰী গৰাকীক অৱগত কৰে।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথোপকথনত কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে শৃংখলাৱদ্ধভাৱে সামাজিক দূৰত্ব বজাই ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যি ২১ দিনীয়া লক্-ডাউন কাৰ্যসূচী পালন কৰাৰ বাবে আহ্বান জনাইছে, সেই আহ্বানক অসমৰ জনসাধাৰণে শ্ৰদ্ধাৰে সঁহাৰি জনাইছে। আমিও এই মূহূৰ্তত অসমৰ জনসাধাৰণক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অত্যাৱশ্যকীয় সামগ্ৰী যোগান আৰু জৰুৰী সেৱা আগবঢ়োৱাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছো বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সেৱা যাতে প্ৰতিখন জিলাই লাভ কৰে তাৰ বাবে দৃঢ়তাৰে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সমূহ জিলা পৰ্যায়ত কিদৰে লোৱা হৈছে তাক পৰ্যবেক্ষণ, পৰ্যালোচনা আৰু তদাৰক কৰাৰ বাবে তেওঁ নিজেও জিলা প্ৰশাসন, অন্যান্য বিভাগ আৰু ব্যৱসায়ী সংস্থাসমূহৰ সৈতে আলোচনাত মিলিত হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই ভ্ৰমণৰ সময়তে জিলা উপায়ুক্তসকলে তেওঁক সবিশেষ অৱগত কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনসাধাৰণে এই ২১ দিনীয়া লক্-ডাউন কাৰ্যসূচী সফলভাৱে পালন

কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে কৰ'না ভাইৰাছ প্ৰতিৰোধ কৰিব লাগিলে সকলোৱে ঘৰতে আৱদ্ধ থাকি সামাজিক ব্যৱধান মানি চলিব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমি সকলোৱে নিষ্ঠাৰে, শৃংখলাৱদ্ধতাৰে আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰে ঘৰৰ ভিতৰত আৱদ্ধ থাকিব লাগিব।

প্ৰতিগৰাকী ব্যক্তি সুৰক্ষিত, স্বাস্থ্যৱান আৰু নিৰোগী হৈ থকাটোৱে চৰকাৰৰ প্ৰধান লক্ষ্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই মহান উদ্দেশ্য আগত ৰাখি প্ৰধানমন্ত্ৰীয়ে এই কাৰ্যসূচী আমাৰ হাতত তুলি দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ তৰফৰ পৰা তৎপৰতাৰে এই সন্দৰ্ভত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু অসম চৰকাৰৰ এই পদক্ষেপৰ ফলত আজি কৰ'না ভাইৰাছ সম্পৰ্কত শীঘ্ৰে পৰীক্ষা-নিৰীক্ষা কৰাটো সম্ভৱ হৈ উঠিছে। আগন্তুক দিনত অসম চৰকাৰৰ স্বাস্থ্য বিভাগে পৰিস্থিতি মোকাবিলা কৰাৰ বাবে ৫ খনকৈ অত্যাধুনিক হাস্পতাল নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই হাস্পতাল নিৰ্মাণৰ উদ্দেশ্য হৈছে আগন্তুক দিনত যিকোনো পৰিস্থিতিৰ মোকাবিলা কৰি জনসধাৰণক নিষ্ঠাৰে সেৱা আগবঢ়োৱা। মুখ্যমন্ত্ৰীয়ে কয় যে এই বেমাৰৰ কোনো ঔষধ তথা প্ৰতিষেধক আৱিস্কাৰ হোৱা নাই। কেৱল সামাজিক ব্যৱধান বজাই ৰখাটোৱে হৈছে ইয়াৰ বিকল্প উপায়। মুখ্যমন্ত্ৰীয়ে কয় যে এই ক্ষেত্ৰত ঘৰৰ ভিতৰত থাকি ইজনে আনজনৰ পৰা সামাজিক ব্যৱধান মানি চলিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে জিলাই জিলাই যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ কোনো ধৰণৰ নাটনি নহয় তাৰ বাবে মুখ্য সচিবক নিৰ্দেশ দিয়া হৈছে। মুখ্য সচিবে প্ৰতিদিনে প্ৰতিখন জিলাৰ অৱস্থাৰ বুজ ল'ব আৰু জনসাধাৰণক কিদৰে সেৱা আগবঢ়োৱা হৈছে তাৰ বিতং পৰ্যালোচনা কৰিব। এই ক্ষেত্ৰত ঘৰত আৱদ্ধ হৈ থকা পৰিয়ালক যাতে নিষ্ঠাৰে সেৱা আগবঢ়াব পৰা যায় সেইটোৱে হ'ব আমাৰ মুখ্য উদ্দেশ্য বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে নিজৰ জীৱনকো তুচ্ছ কৰি দিনে-নিশাই সেৱা আগবঢ়োৱা আৰক্ষীৰ ওপৰত কিছুমান লোকে শিলগুটি দলিয়াইছে। এই কথা কেতিয়াও সহ্য কৰিব পৰা নাযায়। আৰক্ষী বাহিনীয়ে ৰাইজৰ স্বাৰ্থতেই দিনে-নিশাই কাম কৰি আছে। ৰাইজক সুৰক্ষিত কৰিবৰ বাবেই তেওঁলোকে অহৰহ প্ৰচেষ্টা চলাই আছে। এই মূহূৰ্তত জনসাধাৰণে আৰক্ষীক সহযোগিতা কৰা উচিত। আৰক্ষীক আক্ৰমণ কৰিলে কোনো যুক্তিতেই সহ্য কৰা নহ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমাৰ সমাজ শৃংখলাৱদ্ধ। এইখন সমাজত এনেধৰণৰ আচৰণ কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলে আগবঢ়োৱা সহযোগিতাৰ বাবে শলাগ লোৱাৰ উপৰি এই ক্ষেত্ৰত জনসাধাৰণক আৰু অধিক সজাগ-সচেতন কৰিবলৈও আহ্বান জনায়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰস্তাৱিত চিকিৎসালয় কেইখন গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট, বঙাইগাওঁ আৰু শিলচৰত নিৰ্মাণ কৰা হ'ব।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ডিফুত উপস্থিত হৈ ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতাল (অ'ল্ড্ ব্লক) পৰিদৰ্শন কৰি আছুতীয়া কক্ষ আৰু আই চি ইউ ব্যৱস্থাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পিছতে ডিফু আৱৰ্ত্ত ভৱনৰ সভাকক্ষত কাৰ্বি আংলং জিলা প্ৰশাসনৰ সৈতে এক বৈঠকত মিলিত হৈ সমগ্ৰ জিলাখনতে ক'ভিড-১৯ ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কল্পে বৰ্তমানলৈকে লোৱা ব্যৱস্থাৱলীৰ বুজ লয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে সামাজিক ব্যৱধান বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি জিলা প্ৰশাসনক লক্-ডাউনৰ সময়ছোৱাত

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

অত্যাৱশ্যকীয়া সা-সামগ্ৰীক ঘৰে ঘৰে প্ৰদানৰ পদক্ষেপ গ্ৰহণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তৰ পৰা এতিয়ালৈকে কিমান বাহিৰৰ পৰা জিলাখনকৈ উভতি অহা ব্যক্তিয়ে গৃহত আছুতীয়াকৈ আছে সেই সম্পৰ্কেও বুজ লয়। এই লক্-ডাউনৰ সময়ছোৱাত যাতে নিত্য ব্যৱহাৰ্য সামগ্ৰী পৰ্যাপ্ত পৰিমানে উপলব্ধ থাকে সেইটো নিশ্চিত কৰাৰ বাবেও জিলা উপায়ুক্তক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে অহৰ্নিশে পৰিস্থিতি পৰ্যবেক্ষণ কৰি পদক্ষেপ গ্ৰহণ কৰাৰ বাবেও প্ৰশাসনক নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত পাৰ্বত্য অঞ্চল উন্নয়ন মন্ত্ৰী চুম ৰংহাং, সাংসদ হৰেন সিং বে, বিধায়ক নোমল মমিন, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, উপায়ুক্ত মুকুল কুমাৰ শইকীয়া, কাৰ্বি আংলঙৰ ডি আই জি, আৰক্ষী অধীক্ষক, ডিফু চিকিৎসা মহাবিদ্যাল হাস্পতালৰ অধ্যক্ষকে ধৰি বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / ৰঃভাঃ / উঃডিঃ**
**২৮/০৩/২০২০**